৮নং প্রশ্নৰ উত্তৰ ঃ প্রকৃত অর্থ বাহিৰ কৰাৰ সলনি অধ্যয়নৰ বাবে বাছি লোৱা মানৰ সমূহ এটাৰ বিষয়ে পক্ষপাতিত্ব/অন্ধবিশ্বাসমূলক ধাৰণা গাঢ় কৰাটো হ'ল নৃগোষ্ঠীয় বর্ণনা তত্ত্ব গৱেষণাৰ এটা প্রধান সীমাৱদ্ধতা। এনে গৱেষণা ঔপনিৱেশিক শাসন কালত আৰম্ভ হৈছিল। উপনিৱেশৰ পৰিচালকসকলক প্রায়েই এনে ধাৰণাবোৰ গাঢ়তৰ কৰি তোলাৰ দোষত জগৰীয়া কৰা হৈছিল। তেওঁলোকৰ ওপৰত ঔপনিৱেশিকতাবাদী উচ্চাত্মিকাবোধেৰে শাসন চলোৱাৰ অভিযোগো উত্থাপিত হৈছিল।

১০.১২ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ গৱেষণা ব্যৱহাৰ কৰা যিকোনো দুটা অধ্যয়ন বিষয়ৰ নাম লিখক।

প্রশ্ন ২ ঃ নৃগোষ্ঠীয় বর্ণনা তত্ত্ব অধ্যয়নৰ মুখ্য উদ্দেশ্যটো কি?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ নৃগোষ্ঠীয় বর্ণনাতত্ত্ব (Ethnography) অর্থ লিখক।

প্রশ্ন ২ ঃ অংশগ্রহণকাৰী নিৰীক্ষণৰ ওপৰত এটি চমুটোকা লিখক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ গৱেষণা পদ্ধতি হিচাপে নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ বৈশিষ্ট্যবোৰ আলোচনা কৰক।

প্রশ্ন ২ ঃ নৃগোষ্ঠীয় বর্ণনা তত্ত্বৰ প্রত্যাহ্বান আৰু সীমাবদ্ধতাবোৰ বিৰ আলোচনা কৰক।

*** ***** ***